**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 10-12-2024 **Time :** 1205 Hrs

***Assamese Midday Bulletin***

ঐতিহাসিক অসম আন্দোলনত প্ৰাণ আহুতি দিয়া ছহিদসকলৰ স্মৃতি আৰু ত্যাগক সুঁৱৰি আজি ছহিদ দিৱস পালন কৰা হৈছে। শোণিতপুৰ জিলাৰ জামুগুৰিহাটত আজি কেন্দ্ৰীয়ভাৱে ছহিদ দিৱস অনুষ্ঠিত হৈছে। অনুষ্ঠানত অবিভক্ত শোণিতপুৰ জিলাৰ ১৬০ গৰাকী ছহিদৰ পৰিয়ালক সম্বৰ্ধনা জনোৱা হ'ব। ভাৰতীয় জনতা যুৱ মৰ্চা, অসম প্ৰদেশৰ উদ্যোগত আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মা, অসম গণ পৰিষদৰ সভাপতি অতুল বৰাৰ লগতে ভালেকেইগৰাকী মন্ত্ৰী তথা সাংসদে অংশগ্ৰহণ কৰিছে।

সদৌ অসম ছাত্ৰ সন্থাই আজি গোৱালপাৰা জিলাৰ বগুৱান উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত ছহিদ দিৱস পালন কৰিছে। উল্লেখযোগ্য যে ১৯৭৯ চনৰ আজিৰ দিনটোতে অসম আন্দোলনত খৰ্গেশ্বৰ তালুকদাৰে প্ৰাণ বিসৰ্জন দিছিল। অসম আন্দোলনৰ ৮৬০ গৰাকী ছহিদলৈ শ্ৰদ্ধা জ্ঞাপনৰ উদ্দেশ্যে সদৌ অসম ছাত্ৰ সন্থাৰ লগতে ৰাজ্যবাসীয়ে ১০ ডিচেম্বৰৰ দিনটো ছহিদ দিৱস হিচাপে পালন কৰি আহিছে। ৰাজ্যৰ সকলো জিলা, মহকুমা, আঞ্চলিক ছাত্ৰ সন্থাকে ধৰি আন সংগঠনসমূহেও আজি ছহিদ দিৱস পালন কৰিছে।

০০০০০০০

ভাষাৰ ওজা হেমচন্দ্ৰ বৰুৱাৰ আজি ১৯০ সংখ্যক জয়ন্তী। জয়ন্তীৰ সৈতে সংগতি ৰাখি আজি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ জ্যোতি বাটচ'ৰাৰ দাঁতিত প্ৰয়াত বৰুৱাদেৱৰ ব্ৰঞ্জৰ এটা পূৰ্ণাৱয়ব প্ৰতিমূৰ্তি উন্মোচন কৰা হ'ব। অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তথা বিশিষ্ট সাহিত্যিক ডং নগেন শইকীয়াই এই প্ৰতিমূৰ্তিটো উন্মোচন কৰিব। ইপিনে, গুৱাহাটী বিশ্ববিদ্যালয়ত থকা প্ৰয়াত বৰুৱাৰ প্ৰতিমূৰ্তিৰ সন্মুখতো আজি শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হৈছে। অনুষ্ঠানত বিশ্ববিদ্যালয় পঞ্জীয়কৰ লগতে ইলোৰা বিজ্ঞান মঞ্চৰ সভাপতি আৰু অন্যান্য কেইবাগৰাকীও আগশাৰীৰ লোক উপস্থিত থাকিব। উল্লেখযোগ্য যে ইলোৰা বিজ্ঞান মঞ্চই প্ৰতিবছৰে আজিৰ দিনটো কু-সংস্কাৰ-অন্ধবিশ্বাস বিৰোধী দিৱস হিচাপে উদযাপন কৰি আহিছে।

শিৱসাগৰৰ হেমচন্দ্ৰ বৰুৱা উদ্যানতো আজি ভাষাৰ ওজাগৰাকীক স্মৰণ কৰাৰ উদ্দেশ্যে বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হৈছে।

০০০০০০০

দেশৰ এটা আগশাৰীৰ ব্যৱসায়িক গোষ্ঠীৰ উৎকোচ প্ৰদান অভিযোগক কেন্দ্ৰ কৰি সৃষ্টি হোৱা হুলস্থুলীয়া পৰিস্থিতিৰ বাবে আজিও লোকসভা আৰু ৰাজ্যসভাৰ কাম-কাজ ব্যাহত হৈছে। লোকসভাৰ অধ্যক্ষ ওম বিৰলাই নিম্ন সদনৰ কাম-কাজ দিনৰ ১২ বজালৈকে স্থগিত ৰাখিছে। অধ্যক্ষ বিৰলাই বিৰোধী পক্ষৰ আচৰণ সদনৰ কাম-কাজ পৰিচালনাৰ বাবে অনুকুল নহয় বুলি কৰা মন্তব্যক লৈ বিৰোধী কংগ্ৰেছ আৰু ডি এম কেৰ সদস্যসকলে অধিক হুলস্থুলীয়া পৰিস্থিতিৰ সৃষ্টি কৰে আৰু অধ্যক্ষই সদনৰ কাম-কাজ স্থগিত ৰাখিবলৈ বাধ্য হয়।

ৰাজ্যসভাতো আজি আম আদমী পাৰ্টিৰ সাংসদ সঞ্জয় সিঙে দিল্লীৰ আইন-শৃংখলা পৰিস্থিতি সম্পৰ্কত কেতবোৰ বিষয় উত্থাপনৰ চেষ্টা কৰে। সভাপতি জগদীপ ধনখড়ে সিঙৰ অনুৰোধৰ প্ৰতি কৰ্ণপাত নকৰাত বিৰোধী সদস্যসকলে হুলস্থূলীয়া পৰিৱেশৰ সৃষ্টি কৰে আৰু ফলত উচ্চ সদনৰ কাম-কাজো দিনৰ ১২ বজালৈকে স্থগিত

ৰাখিবলীয়া হয়। ইয়াৰ আগতে সদনে প্ৰাক্তন বৈদেশিক পৰিক্ৰমা মন্ত্ৰী তথা কৰ্ণাটকৰ প্ৰাক্তন মুখ্যমন্ত্ৰী এছ্ এম কৃষ্ণাৰ বিয়োগত শোক প্ৰকাশ কৰি তেওঁৰ আত্মাৰ সদ্গতিৰ বাবে মৌন প্ৰাৰ্থনা জনায়।

০০০০০০০

মণিপুৰ চৰকাৰে কালি বিয়লিৰ পৰা ৰাজ্যৰ ৯ খন জিলাত ইণ্টাৰনেট আৰু মোবাইল ডাটা সেৱা পুনৰ বাহাল কৰিছে। ৰাজ্যখনৰ শেহতীয়া আইন শৃংখলা পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত এই জিলাকেইখনত যোৱা ১৬ নৱেম্বৰৰ পৰা এই সেৱা সাময়িকভাৱে বন্ধ ৰখা হৈছিল। জিৰিবাম জিলাত ছজন নাগৰিকক অপহৰণ কৰি হত্যাৰ ঘটনাৰ ব্যাপক প্ৰতিবাদৰ ফলত সৃষ্টি হোৱা পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি ৰাজ্যখনৰ ছখন উপত্যকা জিলা আৰু তিনিখন পাহাৰীয়া জিলাত ইণ্টাৰনেট আৰু মোবাইল ডাটা সেৱা বন্ধ কৰাৰ সিদ্ধান্ত লোৱা হৈছিল। ৰাজ্যখনৰ গৃহ বিভাগে কালি জাৰি কৰা এটা আদেশ অনুসৰি ৰাজ্যখনৰ সাম্প্ৰতিক আইন শৃংখলা পৰিস্থিতিৰ পৰ্যালোচনা কৰি ইণ্টাৰনেট আৰু মোবাইল ডাটা সেৱাৰ ওপৰত থকা নিষেধাজ্ঞা প্ৰত্যাহাৰৰ সিদ্ধান্ত লোৱা হৈছে। অৱশ্যে ইণ্টাৰনেট ব্যৱহাৰকাৰীসকলক ৰাজ্যখনৰ আইন শৃংখলা পৰিস্থিতিৰ প্ৰতি ভাবুকি কঢ়িয়াই আনিব পৰা যিকোনো কাম-কাজৰ পৰা বিৰত থাকিবলৈ আহ্বান জনোৱা হৈছে।

০০০০০০

কৰ্ণাটকৰ প্ৰাক্তন মুখ্যমন্ত্ৰী আৰু প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী এছ্ এম কৃষ্ণৰ আজি পুৱা বেংগালুৰুৰ সদাশিৱ নগৰত থকা নিজা বাসগৃহত দেহাৱসান ঘটে। দীঘলীয়া ৰাজনৈতিক জীৱনত কৃষ্ণই কেইবাটাও গুৰুত্বপূৰ্ণ পদত কাৰ্যনিৰ্বাহ কৰিছিল। ১৯৯৯ চনৰ পৰা ২০০৪ চনলৈকে কৰ্ণাটকৰ মুখ্যমন্ত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰা কৃষ্ণই ২০০৯ চনৰ পৰা ২০১২ চনলৈ দেশৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰী হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰিছিল। ২০০৪ ৰ পৰা ২০০৮ চনলৈ তেওঁ মহাৰাষ্ট্ৰৰ অষ্টাদশ ৰাজ্যপাল হিচাপেও দায়িত্ব নিৰ্বাহ কৰিছিল। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কৃষ্ণৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰাৰ লগতে তেওঁক উন্নয়নৰ প্ৰতি সমৰ্পিত নেতা বুলি অভিহিত কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এছ্ এম কৃষ্ণৰ বিয়োগত শোক প্ৰকাশ কৰি কয়, যে প্ৰয়াত নেতাগৰাকীয়ে দেশৰ আন্তঃগাঁথনি উন্নয়নৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰাৰ লগতে এগৰাকী অধ্যয়নপুষ্ট আৰু চিন্তাশীল ব্যক্তি আছিল।

০০০০০০০০

সমাপ্ত